**ষষ্ঠ খণ্ড**

# ভাৰতীয় দৰ্শন

## (ভাৰতীয় দৰ্শন, বৈশিষ্ট্য, শ্ৰেণী বিভাগ ঃ বৈদিক-অবৈদিক)

### 6.1 ভাৰতীয় দৰ্শনৰ অৰ্থ ঃ ভাৰতীয় দৰ্শনৰ ধাৰণা ঃ

সমগ্ৰ ভাৰতভূমিত আৱাহমান কালৰে পৰা চলি অহা ৰীতি-নীতি, জীৱন-ধাৰাৰ পটভূমিত ভাৰতীয় দৰ্শন গঢ়ি উঠিছে। জাতি-ধৰ্ম-ভাষা-সম্প্ৰদায়-সংস্কৃতি নিৰ্বিশেষে সকলো ভাৰতীয় লোকৰ চিন্তাধাৰাৰ সংমিশ্ৰণৰ ফলত ভাৰতীয় দৰ্শন সৃষ্টি হৈছে। এই দৰ্শন জীৱন আৰু জগত সম্বন্ধে গভীৰ সামগ্ৰিক উপলব্ধি। ভাৰতীয় দৰ্শন এটি বিস্তৃত বিষয়। এই দৰ্শনক বুজিবলৈ হ'লে প্ৰথমতে দৰ্শন শব্দটোৰ অৰ্থ আৰু তাৎপৰ্য জানিব লাগিব।

'দৰ্শন' শব্দটো সংস্কৃত 'দৃশ' ধাতুৰ পৰা উৎপত্তি হৈছে। 'দৃশ' শব্দৰ অৰ্থ 'দেখা' বা 'প্ৰত্যক্ষ কৰা'। এই দেখা বা প্ৰত্যক্ষ কৰা কাৰ্য বাহ্য চক্ষুৰে বা আন্তৰিকভাৱে ঘটিব পাৰে। আন্তৰিক প্ৰত্যক্ষ কাৰ্য দিব্যচক্ষু অথবা প্ৰজ্ঞাচক্ষুৰে নাইবা আন্তৰিক উপলব্ধিৰে ঘটিব পাৰে। এতেকে 'দৰ্শন' শব্দটোৰ ধাতুগত অৰ্থ হৈছে সত্য বা তত্বক প্ৰজ্ঞাচক্ষুৰে প্ৰত্যক্ষ কৰা বা অৱলোকন কৰা। চকু আৰু বিষয়বস্তুৰ সন্নিকৰ্ষৰ (contact) ফলত যি জ্ঞান জন্মে তাক চাক্ষুস জ্ঞান বোলে। এনে জ্ঞানক দৰ্শন বোলা নহয়। দৰ্শন জীৱন আৰু জগতৰ প্ৰকৃত বা স্বৰূপ জ্ঞান।

জগতৰ বস্তুসমূহৰ দুটা ৰূপ বা প্ৰকাশ থাকে— বাহ্যিক ৰূপ আৰু প্ৰকৃত ৰূপ। এই দুটা ৰূপ একে নহ'বও পাৰে। উদাহৰণ স্বৰূপে— পোন লাঠি এডাল আধালৈকে পানীত বুৰাই দিলে বেঁকা দেখি। দৰাচলতে লাঠিডাল পোন; বেঁকা নহয়। লাঠিডালৰ বেঁকা ৰূপক অৱভাস বা প্ৰতিভাস (appearance) বা বাহ্যিক ৰূপ বোলে। ই লাঠিডালৰ প্ৰকৃত ৰূপ নহয়। চাক্ষুস প্ৰত্যক্ষই বস্তুৰ এই ৰূপটোহে প্ৰকাশ কৰে। বস্তুৰ প্ৰকৃত ৰূপৰ জ্ঞান জন্মে আন্তঃপ্ৰত্যক্ষৰ দ্বাৰা। ইয়াকেই দৰ্শন বা সত্যজ্ঞান বোলে। ভাৰতীয় দৰ্শন জীৱন আৰু জগতৰ সত্য জ্ঞান বা উপলব্ধি।

'দৰ্শন' শব্দৰ ইংৰাজী শব্দ 'Philosophy'। এই শব্দটো 'Philos' আৰু 'Sophia' নামৰ দুটি গ্ৰীক শব্দৰ পৰা আহিছে। 'Philos' শব্দৰ অৰ্থ 'অনুৰাগ' বা 'প্ৰীতি' বা 'Love' আৰু 'Sophia' শব্দৰ অৰ্থ 'জ্ঞান' বা 'Wisdom'। এতেকে ব্যুৎপত্তিগতভাৱে 'Philosophy' শব্দৰ অৰ্থ 'জ্ঞানৰ প্ৰতি অনুৰাগ'। কিন্তু পাশ্চাত্য 'Philosophy' আৰু ভাৰতৰ 'দৰ্শন' শব্দৰ অৰ্থ একে নহয়। সমগ্ৰ বিশ্বত যি সত্য বা তত্ব নিহিত আছে, যাৰ পৰা চেতন-অচেতন সকলো বস্তুৰ উৎপত্তি হয়, সেই পৰমসত্যক উপলব্ধি কৰাই

ভাৰতীয় দৰ্শনৰ লক্ষ্য। ভাৰতীয় দাৰ্শনিকে এই সত্যক জীৱনত প্ৰতিষ্ঠিত কৰিবলৈ প্ৰয়াস কৰে। পাশ্চাত্য দৰ্শন চৰ্চাৰ মূল লক্ষ্য জ্ঞানতৃষ্ণা চৰিতাৰ্থ কৰা। তাত আধ্যাত্মিক সাধনাৰ প্ৰচেষ্টা নাই। পাশ্চাত্য ‘Philosophy’ আৰু ভাৰতৰ ‘দৰ্শন’ শব্দৰ মাজত এয়ে প্ৰধান পাৰ্থক্য।

## 6.2 ভাৰতীয় দৰ্শনৰ প্ৰকৃতি ঃ

ভাৰতীয় দৰ্শন বুলিলে সত্যজ্ঞানৰ সহায়ত মানুহে জীৱনধাৰা নিয়ন্ত্ৰণ কৰি শুদ্ধ বিচাৰৰ দ্বাৰা জীৱন পৰিচালিত কৰা বুজায়। অৰ্থাৎ সত্যক জানিলেই নহয়, ব্যৱহাৰিক জীৱনত তাক প্ৰয়োগ কৰাটোও ভাৰতীয় দৰ্শনৰ উদ্দেশ্য। এইখিনিতে ভাৰতীয় দৰ্শনৰ আধ্যাত্মিক পটভূমি প্ৰকাশ পাইছে। ভাৰতীয় দৰ্শন আদৰ্শ আৰু বাস্তৱৰ এক অপূৰ্ব সমন্বয়। ভাৰতীয় দৰ্শনৰ ই এটা মুখ্য বৈশিষ্ট্য।

ভাৰতীয় দৰ্শন আৰু ধৰ্ম ওতঃপ্ৰোতভাৱে জড়িত। সত্যৰ বাস্তৱ অভিজ্ঞতাই হৈছে ধৰ্ম। ভাৰতত দৰ্শন বুলিলে আধ্যাত্মিক সত্যৰ উপলব্ধি বুজায়। এনে উপলব্ধিৰ বাবে অন্তৰৰ পৱিত্ৰতা ৰক্ষা, ইন্দ্ৰিয় সংযম, নৈতিক নিয়মৰ কঠোৰ অনুশীলনৰ প্ৰয়োজন। ভাৰতত দাৰ্শনিক আৰু ধাৰ্মিক লোকসকলে এনে অনুশীলনৰ দ্বাৰা সত্যক জীৱনত প্ৰতিষ্ঠা কৰে। তেওঁলোক সত্যদ্ৰষ্টা ঋষি তথা আত্মজ্ঞানী। আত্মজ্ঞানৰ সহায়ত মোক্ষ লাভ হয়। মোক্ষ লাভেই মানৱ জীৱনৰ পৰম লক্ষ্য। এইদৰে ভাৰতীয় দৰ্শনৰ অন্যতম বৈশিষ্ট্য হৈছে ধৰ্মৰ লগত ইয়াৰ গভীৰ অন্তৰ্নিহিত সম্পৰ্ক।

ভাৰতীয় দৰ্শনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ সংশ্লেষণাত্মক দৃষ্টিভংগী। ইয়াত দৰ্শনৰ বিভিন্ন শাখা যেনে— মনোবিদ্যা, জ্ঞানবিদ্যা, তত্ত্ববিদ্যা, নীতিবিদ্যা, তৰ্কবিদ্যা, ধৰ্মতত্ত্ব, সমাজবিদ্যা, ৰাজনীতিবিদ্যা আদি সামগ্ৰিকভাৱে আলোচনা কৰা হয়। পাছত এক সংশ্লেষণাত্মক সিদ্ধান্তত উপনীত হোৱা যায়। প্ৰত্যেক ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে এই পদ্ধতি পালন কৰিছে। এনে সংশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰাৰ বাবে ভাৰতীয় দৰ্শনত জড়বাদ, অভিজ্ঞতাবাদ, বাস্তৱবাদ, ভাববাদ, বহুত্ববাদ আদি ভাৱধাৰাৰ সমাবেশ ঘটিছে। ইয়াৰ ফলত ভাৰতীয় দৰ্শনৰ পৰিসৰ সমৃদ্ধ আৰু বিস্তৃত হৈছে। ভৰতীয় দৰ্শনৰ সংশ্লেষণাত্মক দৃষ্টিভংগী এটা উল্লেখযোগ্য বৈশিষ্ট্য।

সহনশীলতা, উদাৰতা আৰু সম্প্ৰদায়সমূহৰ মাজৰ পাৰস্পৰিক সম্বন্ধ ভাৰতীয় দৰ্শনৰ অন্যতম বৈশিষ্ট্য। ভাৰতীয় দৰ্শন ভিন্নমতৰ মুঠ নটা সম্প্ৰদায়ৰ চিন্তাধাৰাৰ সমষ্টি— চাৰ্বাক, বৌদ্ধ, জৈন, ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্ত। সম্প্ৰদায়সমূহৰ শ্ৰেণীবিভাগ সম্পৰ্কে আমি পাছত আলোচনা কৰিম। ইয়াত মন কৰিবলগীয়া বিষয় হৈছে নটা সম্প্ৰদায়ৰ মাজৰ পাৰস্পৰিক সহনশীলতা, পৰিপূৰকতা, উদাৰতা আৰু সহাৱস্থান। সম্প্ৰদায়সমূহে পৰস্পৰৰ সমালোচনা কৰি নিজ নিজ মতবাদ আগবঢ়াইছে। যিমানেই মতবিৰোধ নাথকক এটাক বাদ দি আনবোৰ সম্প্ৰদায় সম্পূৰ্ণ হ’ব নোৱাৰে। এয়ে ভাৰতীয় দৰ্শনৰ বৈচিত্ৰতা আৰু সহাৱস্থান নীতি। এইদৰে বিৰোধী পক্ষৰ সমালোচনা খণ্ডন নকৰাকৈ কোনো সম্প্ৰদায়ে নিজৰ মত প্ৰতিষ্ঠা কৰিব

নোৰৰাটো ভাৰতীয় দৰ্শনৰ এটা বৈশিষ্ট্য। ইয়াক দ্বন্দ্বাত্মক যুক্তি পদ্ধতি বোলে। এই পদ্ধতি অৱলম্বন কৰা বাবে ভাৰতীয় দৰ্শন মতান্ধতাৰ পৰা মুক্ত হ'ব পাৰিছে।

## 6.3 ভাৰতীয় দৰ্শনৰ উৎস ঃ

ভাৰতীয় দৰ্শনক প্ৰাচীনতম উৎস বেদসমূহ বুলি কোৱা হয়। সংস্কৃত 'বিদ' ধাতুৰ পৰা বেদ শব্দটো আহিছে যাৰ অৰ্থ 'জ্ঞান'। ভাৰতীয় চিন্তাত জ্ঞান শব্দৰ অৰ্থ সত্য। গতিকে 'বেদ' শব্দৰ অৰ্থ হৈছে সত্য। উপনিষদসমূহ বেদৰ এটা বিভাগ। এইবোৰ বেদৰ তাত্বিক চিন্তাধাৰাৰ অন্য ৰূপ। চাৰিখন বেদ আমি পাওঁ— ঋক্, জজু, সাম আৰু অথৰ্ব। ভাগৱত গীতাত উপনিষদসমূহৰ বাণীবোৰ সংক্ষিপ্তভাৱে উল্লেখ আছে। আমি ৰামায়ণ আৰু মহাভাৰত নামৰ দুখন মহাকাব্য পাওঁ যত প্ৰাচীন দাৰ্শনিক চিন্তাধাৰাসমূহ সন্নিবিষ্ট আছে। এইদৰে ভাৰতীয় দৰ্শনৰ বিভিন্ন প্ৰস্থানসমূহ বেদ, উপনিষদ, গীতা আৰু মহাকাব্যসমূহৰ পৰা গঢ়ি উঠিছে। এইবোৰ উৎসৰ প্ৰতি যথাযথ আনুগত্য থকা সত্বেও প্ৰস্থান প্ৰত্যক্ষ বা পৰোক্ষভাৱে হওক বেদ আৰু উপনিষদৰ লগত জড়িত।

এইদৰে আমি ভাৰতীয় দৰ্শনৰ অৰ্থ ধাৰণা উৎপত্তি, ইয়াৰ প্ৰকৃতি আৰু বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিলো।

## 6.4 ভাৰতীয় দৰ্শনৰ সাধাৰণ লক্ষণ ঃ

এটা জাতিৰ মৌলিক কৃষ্টি-সংস্কৃতিৰ সাৰ অংশখিনি সেই জাতিৰ দৰ্শন। ভাৰতীয় দৰ্শন নটা সম্প্ৰদায়ত বিভক্ত। প্ৰত্যেক সম্প্ৰদায়ে সূক্ষ্ম বিচাৰ-বিশ্লেষণ পদ্ধতিৰে আগবাঢ়ি ভাৰতীয় দৰ্শনৰ ক্ৰমবিকাশ ধাৰা গঢ়ি তুলিছে। ইয়াৰ মাজত আমি এটা ঐক্যৰ উপস্থিতি অনুভৱ কৰো, যাক ভাৰতৰ আত্মা বুলিব পাৰি। সেইদৰে ভাৰতীয় লোকৰ নৈতিকতা, কৃষ্টি আদিৰ সমন্বয়ত বিকশিত হোৱা চিন্তাধাৰাত মতবিৰোধ থাকিলেও কিছুমান সাদৃশ্যপূৰ্ণ লক্ষণ থকাটো অতি স্বাভাৱিক। ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ মাজত পৰিলক্ষিত এনে সাদৃশ্যৰ বিষয়বোৰক ভাৰতীয় দৰ্শনৰ সাধাৰণ লক্ষণ বোলা হয়। তলত এই লক্ষণবোৰ আলোচনা কৰা হ'ল।

### (1) ভাৰতীয় দৰ্শনত বেদৰ প্ৰভাৱ ঃ

ভাৰতীয় দৰ্শনে বেদৰ পৰা বৰ্তমানলৈকে ভাৰতীয় চিন্তাৰ বিভিন্ন দিশক সামৰি লৈছে। ভাৰতীয় চিন্তাৰ উন্মেষ ঘটিছে বেদত। সেয়েহে বেদসমূহক ভাৰতীয় দৰ্শনৰ প্ৰাচীনতম লেখনি বুলি গ্ৰহণ কৰা হয়। বেদসমূহ প্ৰথমতে জ্ঞানী ঋষি-মুনিসকলৰ মুখে মুখে চলি আহিছিল। তেওঁলোকক দ্ৰষ্টা বুলি গণ্য কৰা হয়। সেয়েহে বেদৰ বাণীক সত্য বুলি স্বীকাৰ কৰা হয়। বেদক কেন্দ্ৰ কৰি ভাৰতীয় বিভিন্ন সম্প্ৰদায়ৰ কালক্ৰমত উদ্ভৱ হয়। ইয়াৰে কিছুমান সম্প্ৰদায় পোনপোটীয়াকৈ বেদানুগত। আন কিছুমান সম্প্ৰদায় বেদৰ বাণীৰ বিৰোধিতা নকৰাকৈ স্বাধীন যুক্তিৰে সিদ্ধান্ত আগবঢ়াইছে। আনহাতে চাৰ্বাক, বুদ্ধ আৰু জৈন দৰ্শন বেদৰ অনুগত নহয়। সি যি কি নহওক বেদৰ সমৰ্থন কৰি অথবা বিৰোধিতা কৰিয়ে হওঁক, প্ৰত্যেক সম্প্ৰদায়ে বেদৰ আলোচনা কৰিছে।

এতেকে ভাৰতীয় দৰ্শনৰ এটা সাধাৰণ লক্ষণ হ'ল বেদৰ আলোচনা।

**(2) ব্যৱহাৰিক দৃষ্টিভংগী ঃ**

ভাৰতীয় দৰ্শনৰ এটা সাধাৰণ লক্ষণ হৈছে ইয়াৰ ব্যৱহাৰিক দৃষ্টিভংগী। ভাৰতীয় দৰ্শনৰ সকলো শাখাই তাত্বিক আৰু ব্যৱহাৰিক উভয় দিশৰ প্ৰতি সমান গুৰুত্ব দিছে। ইয়াৰ কাৰণ হ'ল ভাৰতীয় দৰ্শন অকল সত্যৰ অনুসন্ধান নহয়, জীৱনত সত্য প্ৰতিষ্ঠা কৰাও ইয়াৰ লক্ষ্য। জীৱনত সত্য, শিৱ আৰু সুন্দৰ প্ৰতিষ্ঠাৰ বাবে তত্বজ্ঞানৰ প্ৰয়োজন। পৰমতত্ব একাধাৰে সত্য, শিৱ আৰু সুন্দৰ। তত্ব জ্ঞানৰ সহায়ত জীৱনক কল্যাণময় আৰু সুন্দৰ কৰাই হৈছে ভাৰতীয় দৰ্শনৰ লক্ষ্য।

**(3) আধ্যাত্মিকতা ঃ**

একমাত্ৰ চাৰ্বাক দৰ্শনৰ বাহিৰে বাকী সকলো ভাৰতীয় দৰ্শন গভীৰভাৱে আধ্যাত্মিক। আধ্যাত্মিকতাবাদ মতে অজড় আত্মাই পৰমতত্ব। এই পৰমতত্ব আত্মাক জীৱনত উপলব্ধি কৰাই হ'ল পৰম লক্ষ্য। ইয়াকে ভাৰতীয় দৰ্শনত 'মোক্ষ' বা 'মুক্তি' বোলা হৈছে। ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ— এই চাৰিটা মানৱ জীৱনৰ কাম্যবস্তু বা পুৰুষাৰ্থ। ইয়াৰ ভিতৰত জীৱনৰ চৰম আৰু পৰম লক্ষ্য হ'ল মোক্ষলাভ যাক পৰমপুৰুষাৰ্থ বুলি কোৱা হয়। মোক্ষ দুখৰ চিৰনিবৃত্তি অৱস্থা। দুখৰ মূল কাৰণ হৈছে অবিদ্যা। তত্বজ্ঞান লাভ কৰিলে অবিদ্যাৰ বিনাশ হয়। তেতিয়াই দুখৰ মুক্তি আৰু মোক্ষপ্ৰাপ্তি হয়।

**(4) আধ্যাত্মিক অতৃপ্তি ঃ**

অতৃপ্তি বা সন্তুষ্টি প্ৰায়বোৰ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ সাধাৰণ লক্ষণ। সংসাৰ তথা জীৱন জন্ম-মৃত্যুৰ এটা অবিচ্ছিন্ন ধাৰা। ইয়াৰ ঊৰ্ধ্বত আমাৰ এটা শ্বাশ্বত চৈতন্য আত্মা আছে। কিন্তু অজ্ঞানতাৰ বশতঃ আমি আত্মাৰ স্বৰূপ পাহৰি জন্ম-মৃত্যুৰ চক্ৰত পতিত হৈ কষ্ট ভোগ কৰো। আমি কিয় বিস্মৃত হওঁ? এয়ে আমাৰ অতৃপ্তি। এই অতৃপ্তিবোধৰ পৰা তত্বজ্ঞান লাভৰ প্ৰয়াস আৰম্ভ হয়।

**(5) প্ৰাৰম্ভিক নৈৰাশ্যবাদ ঃ**

প্ৰায়বোৰ ভাৰতীয় দৰ্শনত জীৱন আৰু জগত দুখময় বুলি কোৱা হৈছে। অজ্ঞানতাৰ বাবে আমি বন্ধনযুক্ত হওঁ, কৰ্মবিপাকত পতিত হওঁ। এয়ে নিৰাশাবাদী ভাৱধাৰা। কিন্তু চাৰ্বাকৰ বাহিৰে বাকী সম্প্ৰদায়সমূহে মোক্ষ লাভ এই জীৱনতে সম্ভৱ বুলি কৈছে। মোক্ষ লাভ জীৱনৰ পৰম পুৰুষাৰ্থ। অৰ্থাৎ মানৱ জীৱনৰ পৰম লক্ষ্য। কিন্তু সম্প্ৰদায়সমূহ গভীৰভাৱে অধ্যয়ন কৰিলে বুজিব পাৰি যে ভাৰতীয় দৰ্শন জীৱন দৰ্শন। সেয়েহে বাস্তৱ জীৱনৰ দুখ-কষ্ট, ৰোগ-শোক, জন্ম-মৃত্যুৰ জৰ্জৰিত অৱস্থা দেখি ভাৰতীয় ঋষিসকল ব্যথিত হৈছিল। জীৱনৰ দুখ মুক্তি কিদৰে সম্ভৱ হ'ব সেই তত্বচিন্তাত তেওঁলোক প্ৰবৃত্ত হৈছিল। সেই অনুসাৰে জড়বাদী চাৰ্বাকৰ বাহিৰে আন সকলো ভাৰতীয় সম্প্ৰদায়ে জীৱনৰ দুখৰ মুক্তিৰ উপায়ৰো বিধান দিছে। ভাৰতীয় দৰ্শনৰ মূল কথা হ'ল— অবিদ্যা বা অজ্ঞানতাই সকলো দুখৰ মূল কাৰণ। সত্যজ্ঞানৰ উদয় হ'লে দুখৰ বিনাশ হয়। গতিকে ভাৰতীয় দৰ্শনত দুখ বা নৈৰাশ্যবাদ প্ৰাৰম্ভিক; ই পৰিণতি নহয়। পৰিণতি গভীৰ আশাবাদ। এই জীৱনতে মানুহে নিজৰ প্ৰচেষ্টাৰে মোক্ষ অৰ্থাৎ চিৰ প্ৰশান্তি

লাভ কৰিব পাৰে।

**(6) এক পৰম নৈতিক নিয়মৰ ওপৰত বিশ্বাস ঃ**

চাৰ্বাকৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো সম্প্ৰদায়ে বিশ্বাস কৰে যে সমগ্ৰ বিশ্বজগত এক সনাতন নৈতিক নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু পৰিচালিত। এই নিয়মটোৰ ওপৰত ভাৰতীয় দৰ্শনৰ আধ্যাত্মিক পটভূমি প্ৰতিষ্ঠিত। এই নিয়মটোৱে প্ৰমাণ কৰে যে ভাৰতীয় দৰ্শন নিৰাশাবাদৰ পৰা আশাবাদলৈ আগবাঢ়িছে। চাৰ্বাকৰ বাহিৰে আন সকলো বৈদিক বা অবৈদিক দৰ্শন সম্প্ৰদায় এই শ্বাশ্বত জাগতিক নিয়মৰ ওপৰত গভীৰ বিশ্বাসী।

**(7) কৰ্মবাদ ঃ**

ভাৰতীয় অধিকাংশ দৰ্শন সম্প্ৰদায়ে কৰ্মবাদত বিশ্বাসী। নৈতিক ক্ষেত্ৰত কাৰ্য-কাৰণ তত্বৰ প্ৰয়োগেই হৈছে ভাৰতীয় দৰ্শনৰ কৰ্মবাদ। এই কৰ্মবাদৰ দ্বাৰা মনুষ্য জীৱনধাৰা নিৰূপিত আৰু পৰিচালিত হয়। ভাল কৰ্মৰ দ্বাৰা ভাল ফল লাভ হয়। ইয়াক পুণ্য বা ধৰ্ম বোলা হয়। আনহাতে অসৎ কৰ্মৰ দ্বাৰা পাপ বা অধৰ্ম উৎপন্ন হয়। ধৰ্মৰ ফলত মানুহে সুখ-সমৃদ্ধি ভোগ কৰে। ইয়াৰ বিপৰীতে অধৰ্মৰ নিমিত্তে জীৱই দুখ-কষ্ট ভোগ কৰে। মানুহৰ জীৱনত সুখ-দুখ নিজ কৰ্মফলৰ পৰাই ঘটে। সেইমতেই বৰ্তমান জীৱন অৱস্থা অতীত জীৱনৰ অতীত কৰ্মৰ ফলস্বৰূপ। কৰ্মফলক অদৃষ্ট বা ভাগ্য বোলা হয়। কিয়নো ই আমাৰ অপ্ৰত্যক্ষ বা অদৃশ্য হৈ থাকে। অতীত কৰ্ম আৰু তাৰ ফল আমাৰ অজ্ঞাত। এয়ে কৰ্মবাদ বা সনাতন নৈতিক নিয়ম।

ঋক বেদত এই সনাতন নৈতিক নিয়মক 'ঋত' বুলি কোৱা হৈছে। সমগ্ৰ জগত আনকি দেৱতাসকলেও 'ঋত'ক উলংঘা কৰিব নোৱাৰে। কৰ্মবাদৰ এই নিয়ম সকাম কৰ্মৰ ক্ষেত্ৰতহে প্ৰযোজ্য। ফলৰ আশা কৰি যি কাম সম্পাদন কৰা হয় সি সকাম কৰ্ম। কিন্তু নিৰ্বিকাৰ চিত্তে ফলাফলৰ আশা নকৰি সম্পাদন কৰা কাম নিষ্কাম কৰ্ম। নিষ্কাম কৰ্মৰ ফল উৎপন্ন নহয়। সত্যজ্ঞান লাভ কৰিলেহে নিষ্কাম কৰ্ম সম্পাদন কৰিব পাৰি। এয়ে কৰ্মবাদ। এই কৰ্মবাদ ভাৰতীয় দৰ্শনৰ এটা সাধাৰণ বৈশিষ্ট্য।

**(8) জগত এখন নৈতিক ৰংগমঞ্চ ঃ**

কৰ্মবাদৰ নৈতিক নিয়ম অনুক্ৰমে ভাৰতীয় দৰ্শনৰ প্ৰায়বোৰ সম্প্ৰদায়ে জগতখনক এখন নৈতিক ৰংগমঞ্চ বুলি উল্লেখ কৰে। পাৰমাৰ্থিক দৃষ্টিভংগীৰ পৰা জগতখন অনিত্য; কিন্তু ব্যৱহাৰিক দৃষ্টিভংগীৰ পৰা ই সত্য। এই জগতখনেই ক্ষেত্ৰ য'ত জীৱই কৰ্ম কৰি ফলভোগ কৰে, ফল ক্ষয় কৰিবও পাৰে। জগতখনক ৰংগমঞ্চৰ লগত তুলনা কৰা হৈছে এইবাবে যে পূৰ্বনিৰ্ধাৰিত ফল অনুসৰি জীৱই এই সংসাৰত জন্ম গ্ৰহণ কৰি জীৱন পৰিক্ৰমা সমাপ্তি কৰে। সাধাৰণ ৰংগমঞ্চতকৈ ই বেলেগ এই অৰ্থত যে ইয়াৰ এটা নৈতিক গুৰুত্ব আছে য'ত আমাৰ কৰ্ম আৰু ফলৰ মূল্যাংকন কৰা হয়।

**(9) চিৰন্তন আত্মাত বিশ্বাস ঃ**

আত্মাৰ প্ৰকৃতি সম্পৰ্কে ভাৰতীয় দৰ্শন সম্প্ৰদায়সমূহৰ মাজত মতবিৰোধ থাকিলেও আত্মাৰ শাশ্বত অৱস্থাত বিশ্বাস কৰাটো ভাৰতীয় দৰ্শনৰ অন্যতম সাধাৰণ লক্ষণ। আত্মা হৈছে জীৱনৰ পৰম নিত্য, শুদ্ধচৈতন্য স্বৰূপ পৰম সনাতন অস্তিত্ব। জগত অনিত্য, সীমিত, পৰিৱৰ্তনশীল।

গতিকে তাৰ কোনো নিত্য অস্তিত্ব নাই। একমাত্ৰ আত্মাই শাশ্বত সত্বা। জড়বাদী চাৰ্বাক দৰ্শনে কোনো আধ্যাত্মিক আত্মাক বিশ্বাস নকৰে। বৌদ্ধ দৰ্শনে নিত্য আধ্যাত্মিক আত্মাৰ আলোচনা পৰিহাৰ কৰিছে। অবৈদিক জৈন দৰ্শন আৰু আটাইবোৰ বৈদিকসম্প্ৰদায়েই আত্মাৰ নিত্য শুদ্ধ সত্বাত বিশ্বাস কৰে।

**(10) জন্মান্তৰবাদত বিশ্বাস ঃ**

কৰ্মবাদৰ অলংঘনীয় নৈতিক নিয়মৰ অনুসিদ্ধান্তৰূপে ভাৰতীয় দৰ্শনৰ এটা সাধাৰণ লক্ষণ হ'ল জন্মান্তৰবাদ। নিজৰ কৰ্মফল ভোগ কৰিবৰ নিমিত্তে আত্মাই পুনঃ পুনঃ জন্ম পৰিগ্ৰহণ কৰাকে জন্মান্তৰবাদ বোলে। এইদৰে জন্মগ্ৰহণ কৰা আত্মাক জীৱাত্মা বোলে। বৰ্তমানৰ কৰ্মফল অনুসৰি ভৱিষ্যততো জন্মগ্ৰহণ কৰিব লগা হয়। এই জন্মান্তৰবাদ কেৱল চাৰ্বাক দৰ্শনৰ বাহিৰে আটাইকেইটা ভাৰতীয় দাৰ্শনিক সম্প্ৰদায় তথা ধৰ্মৰ এটা ঘাই বৈশিষ্ট্য।

**(11) বন্ধন আৰু অবিদ্যা ঃ**

আত্মাই যেতিয়া অতীত কৰ্মৰ ফল ভোগ কৰিবলৈ জন্মগ্ৰহণ কৰি দেশ-কালত সীমিত হয় সেই অৱস্থাক আত্মাৰ বন্ধন বোলে। আত্মাই স্বৰূপ পাহৰি কৰ্মৰ কৰ্তা আৰু ভোক্তাৰূপে নিজকে বিবেচনা কৰে। ইয়াকে অবিদ্যা বোলে। অবিদ্যাৰ কাৰণে আত্মা বন্ধনযুক্ত হয়। বন্ধনযুক্ত হ'লে জন্ম আৰু জন্ম মানেই দুখ। এইদৰে আত্মা অবিদ্যাৰ বাবে দেহ আৰু সংসাৰৰ বন্ধনত সোমাই স্বৰূপৰ পৰা বঞ্চিত হয়। এয়ে ভাৰতীয় দৰ্শনৰ আত্মাৰ অবিদ্যা আৰু বন্ধনৰ ধাৰণা।

**(12) মোক্ষ ঃ জীৱনৰ পৰম লক্ষ্য ঃ**

অবিদ্যাৰ নিমিত্তে আত্মাৰ জন্ম আৰু জন্মান্তৰ প্ৰক্ৰিয়া চলি থাকে। এই জন্ম-মৃত্যুৰ ভৱচক্ৰৰ পৰা চিৰ পৰিত্ৰাণ পোৱাকে মোক্ষ বা মুক্তি বোলে। মোক্ষ লাভ কৰাই মানৱ জীৱনৰ পৰম পুৰুষাৰ্থ বা পৰম লক্ষ্য। এই অৱস্থাপ্ৰাপ্ত হ'লে আত্মা সংস্কাৰমুক্ত হৈ স্বৰূপ উপলব্ধি কৰে। সম্যক জ্ঞান লাভ কৰিলেহে আত্মাই শুদ্ধ চৈতন্য ৰূপ স্বৰূপ হয়। এই অৱস্থা আত্মাৰ সুখ-দুখহীন এটি নিৰ্বিকাৰ আনন্দঘন অৱস্থা।

মুক্তি দুই প্ৰকাৰৰ— জীৱন মুক্তি আৰু বিদেহ মুক্তি। সম্যক জ্ঞান লাভ কৰি নিষ্কাম কৰ্ম সম্পাদনৰ দ্বাৰাও মানুহে মুক্তি লাভ কৰে। ইয়াক জীৱন মুক্তি বোলে। বৌদ্ধ, জৈন, সাংখ্য, যোগ আৰু অদ্বৈত বেদান্ত দৰ্শনে জীৱন মুক্তি সমৰ্থন কৰিছে। আকৌ আত্মাই মৃত্যুৰ যোগেদি দেহ ত্যাগ কৰি সম্পূৰ্ণৰূপে জন্ম-মৃত্যুৰ চক্ৰক ৰোধ কৰা অৱস্থাক বিদেহ মুক্তি বোলে। ন্যায়, বৈশেষিক, বিশিষ্ট অদ্বৈত বেদান্ত দৰ্শনে বিদেহ মুক্তি স্বীকাৰ কৰে। এইসকল দৰ্শনৰ মতে দেহৰ মৃত্যুৰ আগতে আত্মাৰ চিৰমুক্তি সম্ভৱ নহয়। এতেকে চাৰ্বাকৰ বাহিৰে ভাৰতীয় সকলো দৰ্শনে মোক্ষ বা মুক্তিক পৰম পুৰুষাৰ্থ বুলি গ্ৰহণ কৰিছে।

**(13) আত্মসংযম ঃ**

সম্যক জ্ঞান লাভ কৰিবৰ নিমিত্তে প্ৰায় সকলো ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ে আত্মসংযমৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে। সম্যক জ্ঞান লাভ কৰিবৰ বাবে আত্মসংযম বা নৈতিক শুদ্ধতাৰ একান্ত প্ৰয়োজন। বুদ্ধি-বৃত্তিৰ দ্বাৰা জৈৱ প্ৰবৃত্তিবোৰক

যথাযথভাৱে নিয়ন্ত্ৰিত কৰি সজ জীৱন যাপন কৰাকে আত্মসংযম বোলে। আত্মসংযমৰ মাৰ্গৰ নিৰ্দেশ বৌদ্ধ, জৈন, যোগ আদি দৰ্শনত সুন্দৰভাৱে দিয়া হৈছে। এই মাৰ্গ অনুসৰণ কৰি মানুহ মোক্ষ লাভৰ বাবে উপযোগী হ'ব পাৰে। গতিকে ভাৰতীয় দৰ্শনৰ আত্মসংযম বা নৈতিক অনুশাসনৰ অৰ্থ নেতিবাচক নহয়। বাস্তৱিক ধৰ্ম সাধনেই ইয়াৰ মুখ্য উদ্দেশ্য।

এইদৰে দেখা যায় যে বিভিন্ন চিন্তাধাৰাৰ মাজেৰে ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহ গঢ়ি উঠি আধ্যাত্মিক তথা নৈতিক মতবাদ আগবঢ়াইছে। সম্প্ৰদায়সমূহৰ মাজত কিছুমান বিষয়ত অমিল থাকিলেও কিছুমান মৌলিক বিষয়ত মিল থকা দেখা যায়। এই মিল থকা বিষয়বোৰকেই ভাৰতীয় দৰ্শনৰ সাধাৰণ লক্ষণ বুলি কোৱা হয়।

## 6.5 ভাৰতীয় দৰ্শনৰ শ্ৰেণী বিভাগ ঃ

ভাৰতীয় দৰ্শনক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হয়। এই দুটা ভাগ হৈছে— আস্তিক আৰু নাস্তিক। সধাৰণ অৰ্থত ঈশ্বৰৰ অস্তিত্বত বিশ্বাসীসকলক আস্তিক বোলা হয়। আনহাতে ঈশ্বৰৰ অস্তিত্বত অবিশ্বাসীসকলক নাস্তিক বোলা হয়। কিন্তু ভাৰতীয় দৰ্শনৰ শ্ৰেণী বিভাজনৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ বেলেগ হৈছে। ইতিমধ্যে উল্লেখ কৰা হৈছে যে বেদ আৰু উপনিষদসমূহেই ভাৰতীয় দৰ্শনৰ প্ৰাচীনতম উৎস গ্ৰন্থ। প্ৰধানকৈ বেদৰ ওপৰত ভিত্তি কৰিয়েই ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায় গঢ়ি উঠিছে। যিবোৰ সম্প্ৰদায় বেদৰ প্ৰামাণ্যত বিশ্বাসী তেওঁলোকক আস্তিক বুলি কোৱা হয়। যিবোৰ সম্প্ৰদায়ে বেদৰ প্ৰামাণ্যক স্বীকাৰ নকৰে তেওঁলোকক নাস্তিক বোলা হয়। সহজ কথাত ক'বলৈ হ'লে, আস্তিক দৰ্শনেই বৈদিক দৰ্শন আৰু নাস্তিক দৰ্শন হৈছে অবৈদিক দৰ্শন।


চাৰ্বাক, বৌদ্ধ, আৰু জৈনসকলে বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰিছে। সেয়েহে এই তিনিটা সম্প্ৰদায়ক অবৈদিক বা নাস্তিক সম্প্ৰদায় হিচাপে অভিহিত হয়। ন্যায়, বৈশেষিক, সাংখ্য, যোগ, মীমাংসা আৰু বেদান্তই বেদৰ প্ৰামাণ্য স্বীকাৰ কৰিছে। এই ছয়টা সম্প্ৰদায়ক একেলগে 'ষড়দৰ্শন' বুলি কোৱা হয়। ষড়দৰ্শন বৈদিক বা আস্তিক দৰ্শন। মীমাংসা আৰু সাংখ্য দৰ্শনত ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ হৈছে। কিন্তু বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা হৈছে। সেয়েহে এই দুই দৰ্শন আস্তিক শ্ৰেণীভুক্ত হৈছে। এই হেতুকে আস্তিক বা বৈদিক দৰ্শনক আকৌ দুভাগত ভাগ কৰা হৈছে— বেদানুগত আৰু বেদস্বতন্ত্ৰ। যি দৰ্শন বেদৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰতিষ্ঠিত সেইবোৰক বেদানুগত দৰ্শন বোলে। যেনে— মীমাংসা আৰু বেদান্ত। এই দুটি দৰ্শনে বেদৰ উক্তিক সত্য বুলি স্বীকাৰ কৰিছে আৰু যুক্তিৰে তাক প্ৰতিষ্ঠিতও কৰিছে। এই দুই দৰ্শনৰ ভিতৰত মীমাংসা বেদৰ কৰ্ম-কাণ্ডৰ ওপৰত প্ৰতিষ্ঠিত। বেদান্ত জ্ঞান কাণ্ডৰ ওপৰত প্ৰতিষ্ঠিত।

যিবোৰ দৰ্শনে বেদৰ প্ৰামাণ্য স্বীকাৰ কৰিও বেদৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰতিষ্ঠিত নহয় সেইবোৰক বেদস্বতন্ত্ৰ দৰ্শন বোলে। যেনে— সাংখ্য, যোগ, ন্যায় আৰু বৈশেষিক। এই দৰ্শনসমূহ বেদ-বিৰোধী নহয় যদিও নিজস্ব যুক্তিৰে মতবাদ আগবঢ়াইছে। বেদক অস্বীকাৰ কৰা নাই বাবে এই

দৰ্শনসমূহক বৈদিক শ্ৰেণীভুক্ত কৰা হৈছে। আনহাতে অবৈদিক দৰ্শনকো দুভাগত ভাগ কৰা হৈছে— (a) চৰমপন্থী আৰু (b) নৰমপন্থী। চাৰ্বাক দৰ্শন তীব্ৰ বেদ-বিৰোধী; সেয়ে এই দৰ্শনক চৰমপন্থী নাস্তিক দৰ্শন বোলা হয়। বৌদ্ধ আৰু জৈন দৰ্শন তীব্ৰ বেদ-বিৰোধী নহয়; কিন্তু বেদৰ প্ৰামাণ্য স্বীকাৰ নকৰা বাবে এই দুই দৰ্শন নৰমপন্থী নাস্তিক দৰ্শনৰূপে পৰিগণিত হৈছে।

ভাৰতীয় দৰ্শনৰ ওপৰত উল্লেখিত শ্ৰেণী বিভাজন তলত দেখুওৱা চিত্ৰৰ সহায়ত সহজে বুজিব পাৰি।

**ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়**




*এইদৰে ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাজন আলোচনা কৰা হ'ল।*

## 6.6 ভাৰতীয় দৰ্শন সম্প্ৰদায়সমূহৰ অতি সংক্ষিপ্ত পৰিচয় ঃ

### (1) সাংখ্য দৰ্শন ঃ

এই দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে কপিল মুণি। তেওঁ প্ৰণয়ন কৰা সাংখ্য-সূত্ৰ বহু কাল আগতে হেৰাই গ'ল। বৰ্তমান এই দৰ্শনৰ প্ৰাপ্ত প্ৰাচীনতম গ্ৰন্থ সাংখ্যকাৰিকা আৰু ইয়াৰ প্ৰণেতা ঈশ্বৰকৃষ্ণ। ইয়াৰ উপৰি আমি এই দৰ্শনৰ প্ৰবক্তা হিচাপে গৌড়পাদ, বাচস্পতি মিশ্ৰ, বিজ্ঞানভিক্ষু আদিৰ নাম পাওঁ।

'সাংখ্য' শব্দটো 'সংখ্যা' শব্দৰ পৰা আহিছে। সংখ্যা শব্দটোৰ অৰ্থ যথাৰ্থ জ্ঞান তথা গণনা। এই দৰ্শন স্পষ্টভাৱে দ্বৈতবাদী কিয়নো এই দৰ্শনে জগতৰ দুটি মূল তত্ব স্বীকাৰ কৰিছে (i) পুৰুষ আৰু (ii) প্ৰকৃতি। পুৰুষ চৈতন্যময় আত্মা। প্ৰকৃতি সত্ব, ৰজ আৰু তম গুণৰ জড়ীয় সত্বা। জগতৰ মূল উপাদান প্ৰকৃতি। সাংখ্য দৰ্শন সৎকাৰ্যবাদী আৰু বহু পুৰুষবাদী। এই দৰ্শনে ঈশ্বৰৰ বিষয়ে নীৰৱতা অৱলম্বন কৰিছে। এই দৰ্শনত তিনি প্ৰকাৰৰ প্ৰমাণ বা যথাৰ্থ জ্ঞানৰ উৎস স্বীকাৰ কৰা হৈছে। যেনে— প্ৰত্যক্ষ, অনুমান আৰু শব্দ।

### (2) যোগ দৰ্শন ঃ

যোগ দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে মহৰ্ষি পতঞ্জলী। তেওঁৰ নাম অনুসৰি এই দৰ্শনক পতঞ্জলী দৰ্শনো বোলা হয়। যোগ শব্দটোৰ আক্ষৰিক অৰ্থ 'যুক্ত' অৰ্থাৎ জীৱাত্মা আৰু পৰমাত্মাৰ আধ্যাত্মিক মিলন। অৱশ্যে পতঞ্জলীয়ে 'যোগ' শব্দটো 'আধ্যাত্মিক প্ৰচেষ্টা' অৰ্থত ব্যৱহাৰ কৰিছে যাতে শৰীৰ, মন আৰু ইন্দ্ৰিয়সমূহক সংযত কৰি ব্যক্তি এজনে পূৰ্ণতা প্ৰাপ্ত হৈ পুৰুষ আৰু প্ৰকৃতিৰ পাৰ্থক্য যথাযথভাৱে কৰিব পাৰে। এই দৰ্শনৰ মূলগ্ৰন্থ যোগসূত্ৰ। এই দৰ্শনৰ চিত্ত বৃত্তি তত্ব, ইয়াৰ বিশ্লেষণ, পঞ্চ ক্লেশ, পঞ্চ চিত্তভূমি, অষ্টাংগ যোগ সাধনা অতি উল্লেখযোগ্য তত্ব। সাংখ্য দৰ্শনৰ দৰে এই দৰ্শনেও প্ৰত্যক্ষ, অনুমান আৰু শব্দ— এই তিনি প্ৰকাৰ প্ৰমাণ স্বীকাৰ কৰিছে। এই দৰ্শনে ঈশ্বৰক শ্ৰেষ্ঠ আত্মা হিচাপে গ্ৰহণ কৰিছে। মানুহৰ প্ৰকৃত ৰূপ বুজি পাবৰ নিমিত্তে প্ৰয়োজনীয় আধ্যাত্মিক অনুশীলন, পৱিত্ৰতা, আত্মসংযমৰ যোগ অতি মহৎ দৰ্শন।

### (3) ন্যায় দৰ্শন ঃ

মহৰ্ষি গৌতম ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা। গৌতমৰ ন্যায় সূত্ৰ এই দৰ্শনৰ প্ৰধান গ্ৰন্থ। তেওঁৰ পাছত বাৎসায়ন, উদ্যোতকৰ, বাচস্পতি, উদয়ন, জয়ন্ত আৰু গংগেচ প্ৰভৃতিৰ নাম এই দৰ্শনৰ বিখ্যাত ভাষ্যকাৰ হিচাপে পোৱা যায়। এই দৰ্শন জ্ঞানতত্বৰ ন্যায় আৰু যুক্তিৰ বাবে সুবিখ্যাত। ন্যায় দৰ্শন মতে প্ৰমাণ চাৰি প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান, উপমান আৰু শব্দ। ন্যায় দৰ্শন ঈশ্বৰবাদী। ঈশ্বৰ জগতৰ সৃষ্টিকৰ্তা, পালনকৰ্তা আৰু নিয়ন্তা। এই দৰ্শন অসৎকাৰ্যবাদৰ সমৰ্থক। এই মতবাদৰ মতে কাৰ্য উৎপত্তিৰ পূৰ্বে কাৰণত নিহিত নাথাকে। এই দৰ্শন মতে কাৰণ তিনি প্ৰকাৰৰ— নিমিত্ত কাৰণ, সমবায়ী কাৰণ আৰু অসমবায়ী কাৰণ। ন্যায় দৰ্শন পৰমাণুবাদী, বহুবাদী আৰু যৌক্তিক বাস্তৱবাদী।

### (4) বৈশেষিক দৰ্শন ঃ

এই দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে মহৰ্ষি কনাদ আৰু

মূলগ্ৰন্থ বৈশেষিক সূত্ৰ। তেওঁৰ পিছত প্ৰশস্তপাদ, উদয়ন, শ্ৰীধৰৰ নাম উল্লেখনীয় ভাষ্যকাৰ হিচাপে পোৱা যায়। 'বৈশেষিক' শব্দটো 'বিশেষ' শব্দৰ পৰা আহিছে যাৰ অৰ্থ 'বিশিষ্টতা' বা 'বৈশিষ্ট্য'। এই দৰ্শন বহুবাদী, বাস্তৱবাদী আৰু পৰমাণুবাদী। বৈচিত্ৰতাই বিশ্বৰ আত্মা এই দৰ্শন এই মতবাদত বিশ্বাসী। এই দৰ্শনমতে প্ৰমাণ দুই প্ৰকাৰৰ— প্ৰত্যক্ষ আৰু অনুমান। বৈশেষিক দৰ্শন মতে সাতোটা পদাৰ্থৰে সমস্ত জগত ব্যাখ্যা কৰিব পাৰি। এই সাতটি পদাৰ্থ হৈছে— দ্ৰব্য, গুণ, কৰ্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ। বৈশেষিক দৰ্শন পৰমাণুবাদী।

### (5) মীমাংসা দৰ্শন ঃ

এই দৰ্শনৰ প্ৰতিষ্ঠাতা হৈছে মহৰ্ষি জৈমিনি। মীমাংসা শব্দটোৰ আক্ষৰিক অৰ্থ 'সন্মানিত চিন্তা'। পোনতে এই শব্দটো বৈদিক ধৰ্মীয় কৰ্মকাণ্ডৰ ব্যাখ্যাৰ অৰ্থত ব্যৱহৃত হৈছিল। এতিয়া যিকোনো 'সমালোচনামূলক অনুসন্ধান'ৰ অৰ্থত এই শব্দটো ব্যৱহৃত হৈছে।

এই দৰ্শনৰ প্ৰাচীনতম লিখনি হৈছে জৈমিনিৰ মীমাংসা সূত্ৰ। সবৰস্বামী, প্ৰভাকৰ আৰু কুমাৰিল ভট্টই এই দৰ্শনত নতুন চিন্তা সংযোজন কৰে। জৈমিনিয়ে জ্ঞানৰ তিনিটা প্ৰমাণ স্বীকাৰ কৰিছে— প্ৰত্যক্ষ, অনুমান আৰু শব্দ। প্ৰভাকৰে উপমান আৰু অৰ্থাপত্তি তাৰ লগত যোগ দিয়ে। কুমাৰিলাই আকৌ পাছত অনুপলব্ধি প্ৰমাণ হিচাপে যোগ দিয়ে। মীমাংস দৰ্শন বস্তুবাদী আৰু বহুত্ববাদী।

### (6) বেদান্ত দৰ্শন ঃ

বেদৰ জ্ঞানকাণ্ড আৰু উপনিষদসমূহৰ ওপৰত ভিত্তি কৰি মহৰ্ষি বাদৰায়নে ৰচনা কৰে ব্ৰহ্মসূত্ৰ বা বেদান্ত সূত্ৰ। এই গ্ৰন্থই বেদান্ত দৰ্শনৰ ভেটি। ব্ৰহ্ম জিজ্ঞাসা— ইয়াৰ মুখ্য আলোচ্য বিষয়। পৰমাত্মা বা ব্ৰহ্মই একমাত্ৰ অদ্বিতীয় পৰম অস্তিত্ব বা সৎ। ব্ৰহ্মসূত্ৰত এই মত প্ৰতিপন্ন কৰা হৈছে। ব্ৰহ্মসূত্ৰৰ ভাষ্যকাৰসকলে যেনে— শংকৰাচাৰ্য, ৰামানুজাচাৰ্য, মধবাচাৰ্য, নিম্বাৰ্ক, বল্লভাচাৰ্য আদিয়ে ব্ৰহ্মসূত্ৰক ভিন্ ভিন্ ভাৱে ব্যাখ্যা কৰে। ফলত ভিন্ ভিন্ বেদান্ত সম্প্ৰদায়ৰ উৎপত্তি হয়। ইয়াৰ ভিতৰত শংকৰাচাৰ্যৰ অদ্বৈতবাদ আৰু ৰামানুজাচাৰ্যৰ বিশিষ্ট দ্বৈতবাদ প্ৰধান। বেদান্ত দৰ্শন কাৰণতাবাদৰ সৎকাৰ্যবাদৰ সমৰ্থনকাৰী।। মায়াবাদ, জীৱজগত, ব্ৰহ্ম, ঈশ্বৰ, মুক্তি আদি বেদান্ত দৰ্শনৰ গুৰুত্বপূৰ্ণ ধাৰণা। বেদান্ত দৰ্শনত তিনি প্ৰকাৰ জ্ঞানৰ উৎসৰ উল্লেখ কৰিছে— (i) প্ৰত্যক্ষ, (ii) অনুমান আৰু (iii) শ্ৰুতি (বেদ) পৰৱৰ্তী অদ্বৈতবাদীসকলে, (iv) উপমান, (v) অৰ্থাপত্তি আৰু (vi) অনুপলব্ধিকো উৎস হিচাপে যোগ দিছে। অদ্বৈতবাদৰ মূল তত্ব 'ব্ৰহ্ম সত্য, জগতমিথ্যা, জীৱো ব্ৰহ্মৈৰ নাপৰঃ'।

বেদান্ত দৰ্শনৰ মৌলিক গ্ৰন্থ বেদ, ব্ৰহ্মসূত্ৰ আৰু গীতা। একেলগে ইয়াক প্ৰস্থানত্ৰয় বুলি কয়। এই দৰ্শন বেদৰ কৰ্ম-কাণ্ডৰ ওপৰত প্ৰতিষ্ঠিত।

### (7) চাৰ্বাক দৰ্শন ঃ

চাৰ্বক দৰ্শনৰ প্ৰতিষ্ঠাতা আৰু মূলগ্ৰন্থৰ বিষয়ে স্পষ্ট মত পোৱা নাযায়। এই দৰ্শন নাস্তিক আৰু বিশুদ্ধ জড়বাদী ভাৰতীয় দৰ্শন হিচাপে বিখ্যাত। জড়বাদ মতে জগতৰ মূল উপাদান হৈছে জড় পদাৰ্থ। ইয়াৰ পৰাই সমস্ত জগতৰ উৎপত্তি হৈছে। এই দৰ্শনে ঈশ্বৰ, আত্মা, কৰ্মবাদ, পুনৰ্জন্ম, মুক্তি

আদি বিশ্বাস নকৰে। এই দৰ্শন মতে খোৱা-পিয়া আৰু আনন্দ উপভোগ কৰাই জীৱনৰ মূল লক্ষ্য। প্ৰত্যক্ষই একমাত্ৰ প্ৰমাণ এয়ে চাৰ্বাক দৰ্শনৰ মত। এই দৰ্শন তীব্ৰ বেদ-বিৰোধী।

**(8) জৈন দৰ্শন ঃ**

জৈন দৰ্শনৰ প্ৰতিষ্ঠাতা হিচাপে এজন নিৰ্দিষ্ট ব্যক্তি নাই। 2400 জন তীৰ্থংকঁৰ বা সিদ্ধ পুৰুষ এই দৰ্শনৰ প্ৰচাৰক। সৰ্বশেষ তীৰ্থংকঁৰজন হৈছে মহাবীৰ বা বৰ্ধমান। এই দৰ্শন মূলতঃ নীতি ভিত্তিক। এই দৰ্শনৰ পঞ্চ মহাব্ৰত আৰু ত্ৰিৰত্ন উল্লেখযোগ্য। পঞ্চ মহাব্ৰত হৈছে অহিংসা, সত্য, অস্তেয়, ব্ৰহ্মচাৰ্য আৰু অপৰিগ্ৰহ। ত্ৰিৰত্ন-সম্যক জ্ঞান, সম্যক দৰ্শন আৰু সম্যক চৰিত্ৰ। জৈন দৰ্শন নিৰীশ্বৰবাদী। সময়ৰ সোঁতত জৈনসকল দিগম্বৰ আৰু শ্বেতাম্বৰ এই দুই শাখাত বিভক্ত হয়।

**(9) বৌদ্ধ দৰ্শন ঃ**

গৌতম বুদ্ধ এই দৰ্শনৰ প্ৰতিষ্ঠাতা আৰু মূলগ্ৰন্থ ত্ৰিপিটক। এই দৰ্শন বাস্তৱবাদী, মানৱতাবাদী উপযোগিতাবাদী আৰু নৈতিকতাবাদী। এই দৰ্শনৰ চতুৰ্থ আৰ্য সত্য, প্ৰতীত্য সমুৎপাদ, ক্ষণিকবাদ, নিৰ্বাণ, অনাত্মবাদ আদি তাত্বিক মতবাদৰ বাবে সুবিখ্যাত। এই দৰ্শনে দুটা প্ৰমাণ স্বীকাৰ কৰে— প্ৰত্যক্ষ আৰু অনুমান। পৰৱৰ্তী কালত বৌদ্ধ ধৰ্মাৱলম্বীসকল মহাযান আৰু হীনাযান— এই দুই শাখাত বিভক্ত হয়।

## অনুশীলনী

**1.** চমু উত্তৰ দিয়া ঃ

(a) 'দৰ্শন' শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছে?

(b) ভাৰতীয় দৰ্শনৰ মূল শাখা দুটা কি কি?

(c) ন্যায় দৰ্শনৰ প্ৰতিষ্ঠাতা কোন?

(d) চাৰি আৰ্য সত্য কোন দৰ্শনৰ অন্তৰ্ভুক্ত?

(e) বৌদ্ধ দৰ্শন অবৈদিক নে বৈদিক দৰ্শন?

**2.** শুদ্ধ উত্তৰটো বাচি উলিওৱা ঃ

(a) চাৰ্বাক দৰ্শন বৈদিক/ অবৈদিক দৰ্শন।

(b) মহৰ্ষি গৌতম/ পতঞ্জলি/ কপিল মুণি সাংখ্য দৰ্শনৰ প্ৰতিষ্ঠাতা।

(c) ন্যায় দৰ্শনৰ মতে কাৰণ তিনি/ চাৰি/ পাঁচ প্ৰকাৰৰ।

(d) সাংখ্য দৰ্শনে কাৰণতাবাদৰ অসৎকাৰ্যবাদ/ সৎকাৰ্যবাদ সমৰ্থন কৰে।

(e) চাৰ্বাক দৰ্শন জড়বাদী/ আধ্যাত্মবাদী।

**3.** ভাৰতীয় দৰ্শনৰ সাধাৰণ লক্ষণসমূহ উল্লেখ কৰা।

**4.** ভাৰতীয় দৰ্শনৰ প্ৰকৃতিৰ বিষয়ে লিখা।

**5.** ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাজন কৰা।

*** * ***